**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। তেওঁ এই সমাৰোহত ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্ত প্ৰমাণ-পত্ৰ প্ৰদান কৰে। এই অনুষ্ঠানত পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশত এক দৃঢ় পদক্ষেপ গ্ৰহণৰ অংশৰূপে প্ৰথম বাৰৰ বাবে এই দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছিল। বন সুৰক্ষা বাহিনীত জোৱানৰ নিযুক্তিৰ সংখ্যা ১২০ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত জোৱানৰ সংখ্যা ৭৮৪ৰ পৰা এহেজাৰ ৭২৪ গৰাকী হৈছে। ইয়াৰে ৯০ গৰাকী মহিলা। আনহাতে, তৃতীয় অসম বন সুৰক্ষা বাহিনী বেটেলিয়ন সম্পূৰ্ণৰূপে নৱনিযুক্ত জোৱানেৰে গঠন কৰা হৈছে।

০০০০০০০০

অসম ভ্ৰমণৰত আকাশবাণীৰ সঞ্চালকপ্ৰধান মৌচুমী চক্ৰৱৰ্তীয়ে আজি ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাক সাক্ষাৎ কৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। তেওঁ এই সাক্ষাৎকালত মুখ্য সচিবগৰাকীক আকাশবাণী বাতৰি বিভাগৰ আকাশীবাৰ্তা শীৰ্ষক স্মৰণিকাখনো উপহাৰ হিচাপে প্ৰদান কৰে। উল্লেখযোগ্য যে আকাশবাণীৰ সঞ্চালক প্ৰধানৰ দায়িত্ব গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যখনলৈ অহা শ্ৰীমতী চক্ৰৱৰ্তীয়ে কালি আকাশবাণী গুৱাহাটীত উপস্থিত হৈ আঞ্চলিক বাতৰি বিভাগ আৰু কেন্দ্ৰটোৰ অন্য শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ লগতে আঞ্চলিক বাতৰি বিভাগৰ নৱৰূপত সজাই তোলা কক্ষ উদ্বোধন কৰে।

০০০০০০০০

গুৱাহাটী মহানগৰীত আজি বিয়লি ভাগত হোৱা প্ৰবল বৰষুণৰ ফলত ভালেমান অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহানগৰীৰ কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি মহানগৰবাসীক সতৰ্কতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰয়োজনীয় কাম নহʼলে মহানগৰবাসীক ঘৰৰ পৰা বাহিৰ নহʼবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী মহানগৰীৰ দীৰ্ঘদিনীয়া এই কৃত্ৰিম বানৰ সমস্যা ৰোধ কৰিবলৈ হʼলে মহানগৰীখনৰ নলা-নৰ্দমাৰ ব্যৱস্থা পূৰ্বতকৈ সম্প্ৰসাৰণৰ প্ৰয়োজন হʼব। এনে ক্ষেত্ৰত বহু অঞ্চলত উচ্ছেদৰো প্ৰয়োজন হʼব বুলি তেওঁ কয়। তেওঁ লগতে মেঘালয়ৰ পৰা তীব্ৰবেগে নামি অহা ধলে মহানগৰীখনত বানৰ সমস্যা ব্যাপক কৰি তুলিছে বুলি উল্লেখ কৰে। মহানগৰীৰ অতিৰিক্ত পানীভাগ দীপৰ বিললৈ লৈ যোৱাৰ ব্যৱস্থা কৰা হʼব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ইফালে, গুৱাহাটীৰ মহানগৰী আৰক্ষী বিভাগে কৃত্ৰিম বানৰ প্ৰতি লক্ষ্য ৰাখি বিশেষ সতৰ্কতা জাৰি কৰিছে। মহানগৰৰ জি এছ ৰোডৰ ৰুক্মিণীগাঁও আৰু পিবকো পইণ্ট পৰিহাৰ কৰি চলিবলৈ জনসাধাৰণৰ প্ৰতি বিশেষ নিৰ্দেশ জাৰি কৰিছে। ইয়াৰ উপৰি জনসাধাৰণৰ সুবিধাৰ বাবে তিনিটা হেল্পলাইন নম্বৰ ০৩৬১-২৭৩০৯৮৯, ৬০২৬১-৭৬৭৫৫ আৰু ৬৯০১২-৬৯০০৬ মুকলি কৰিছে। বিয়লিৰ ভাগত হোৱা এজাক বৰষুণৰ ফলত মহানগৰৰ জুৰিপাৰ, হাতীগাঁও, ছাৰ্ভে, ৰেয়াৰলেছ আদি অঞ্চল পুনৰ কৃত্ৰিম বানৰ কবলত পৰিছে। ইয়াৰ উপৰি মেঘালয়ৰ পৰা

নামি অহা পানীৰ ধলে উজনিৰ দিশলৈ যোৱা খানাপাৰা অঞ্চল প্লাৱিত কৰিছে। যোৰাবাটটো কৃত্ৰিম বানৰ ফলত উজনি অসম তথা মেঘালয়লৈ যোৱা যান-বাহনৰ যাতায়াত ব্যাহত হৈছে।

ইফালে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমকে ধৰি মেঘালয়, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত অহা চাৰিটা দিনত প্ৰবল বৰষুণৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০০

ভাৰতৰ বাবে দুৰ্ভাগ্যজনকভাৱে বিবেচিত এটা ঘটনাত পেৰিছ অলিম্পিকৰ মহিলা মল্লযোদ্ধা ৱিনেশ ফোগতক সামান্য পৰিমাণে ওজন বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত আজি হ'বলগীয়া ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল প্ৰতিযোগিতাৰ বাবে অযোগ্য ঘোষণা কৰা হৈছে। অলিম্পিকৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰা দেশৰ এইগৰাকী মহিলা মল্লযোদ্ধা আজি এই প্ৰতিযোগিতাৰ ফাইনেলত অৱতীৰ্ণ হ'বলগীয়া আছিল।

ভাৰতীয় অলিম্পিক সংস্থাই আজি এটা বিবৃতিত প্ৰকাশ কৰা মতে এই সন্দৰ্ভত যোৱা নিশা দলটোৱে সকলো প্ৰচেষ্টা গ্ৰহণ কৰাৰ পাছতো খেলুৱৈগৰাকীৰ ওজন আজি পুৱাৰ ভাগত ৫০ কিলোগ্ৰামতকৈ কেইগ্ৰামমান বৃদ্ধি পায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ৱিনেশ ফোগতে বিশ্বৰ প্ৰথমস্থানৰ খেলুৱৈ তথা ২০২০ চনৰ টকিঅ' অলিম্পিকৰ চূড়ান্ত বিজয়ী জাপানৰ য়ুয়ি ছুজাকীক পৰাস্ত কৰি প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এটা এটা সামাজিক মাধ্যমৰ বাৰ্তাযোগে ৱিনেশ ফোগতক অযোগ্য ঘোষণা কৰাৰ খবৰে তেওঁক অত্যন্ত ব্যথিত কৰি তুলিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে এই ঘটনা সঁচাকৈয়ে পীড়াদায়ক আৰু ইয়াক প্ৰকাশ কৰিবলৈ তেওঁৰ ভাষাৰ অভাৱ হৈছে। তেওঁ কয় যে ফোগত সঁচা অৰ্থত এগৰাকী চেম্পিয়ন আৰু তেওঁ প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু অনুপ্ৰেৰণা উৎস। তেওঁ ভাৰতীয় অলিম্পিক সংস্থাৰ অধ্যক্ষ পি টি ঊষাক খেলুৱৈগৰাকীৰ সহায়ৰ বাবে কি বিকল্প ব্যৱস্থা গ্ৰহণ কৰিব পাৰি সেই বিষয়ে অৱগত হ'বলৈ আহ্বান জনাইছে। তেওঁ লগতে কয় যে ফোগতে নিজৰ সুস্থিৰতা আৰু ধৈৰ্য পূৰ্বৰ দৰে বৰ্তাই ৰাখি প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ লগতে ভাৰতীয়সকলৰ বাবে সদায় আদৰ্শ হৈ আছে।

মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত টেবুল টেনিছ দলটো জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈছে।

এথলেটিকছত আব্দুল্লা নাৰাংগোলীণ্টেৱিডাই হাৰ্ডেল, হাই জাম্প আৰু ত্ৰিপল জাম্পৰ প্ৰথম ৰাউণ্ডত খেলিব। ইপিনে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মিৰাবাঈ চানুৱে একেৰাহে দ্বিতীয় বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**